# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 14-07-2025
**Time :** 1800 HRS

## *Assamese Evening Bulletin*

**-------------------**

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন বৈঠকত অংশ লৈ ছেপ্তেম্বৰত হ'বলগীয়া স্বাস্থ্য শিবিৰৰ প্ৰাৰম্ভিক প্ৰস্তুতিৰ বুজ লয়। তেওঁ সংশ্লিষ্ট বিষয়াসকলক এই শিবিৰৰ বাবে সকলো কাম নিয়াৰিকৈ কৰিবলৈ নিৰ্দেশ দিয়ে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে ১৮ বছৰ অনূৰ্ধ ল'ৰা-ছোৱালীৰ বাবে ৰাজ্যজুৰি ছেপ্তেম্বৰত বৃহৎ স্বাস্থ্য শিবিৰ মুকলি কৰাৰ পৰিকল্পনা কৰিছে। এই শিবিৰত হৃদৰোগ, স্নায়ুৰোগ, জেনেটিক ৰোগ, যকৃৎ তথা বৃক্ক ৰোগ, চকু, কাণৰ ৰোগকে ধৰি ৫০ বিধ ৰোগ চিনাক্ত কৰি যাৱতীয় ব্যৱস্থা লোৱা হ'ব।

ooooo

ভৈয়াম জনজাতি আৰু পিছপৰা শ্ৰেণী কল্যাণ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি জনতা ভৱনত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়। ডাঃ পেগুৱে তিৱা স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত কাৰ্বি গাঁওসমূহ চিনাক্তকৰণৰ উপৰি পৰিষদীয় সমষ্টি পুনৰনিৰ্ধাৰণৰ বাবে গ্ৰহণ কৰিবলগীয়া পদক্ষেপৰ বিষয়ে বিষয়ববীয়াসকলক অৱগত কৰে। উল্লেখযোগ্য যে কাৰ্বি শান্তি চুক্তি অনুসৰি গঠন কৰিবলগীয়া কাৰ্বি কল্যাণ পৰিষদত তিৱা স্বায়ত্ত শাসিত পৰিষদৰ অধীনত থকা বহুকেইখন কাৰ্বি গাঁও অন্তৰ্ভুক্ত কৰা হ'ব।

ooooo

ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটাই চাৰিদিনীয়া বৰাক উপত্যকা ভ্ৰমণসূচীৰ আজি অন্তিম দিনা কাছাৰ জিলাত কেইবাটাও গুৰুত্বপূৰ্ণ কৃষি প্ৰকল্প পৰিদৰ্শন কৰে। তেওঁ কৃষক, শ্ৰমিক আৰু প্ৰশাসনৰ মাজত সমন্বয়ৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। মুখ্য সচিবগৰাকীয়ে আজি লক্ষীপুৰৰ মাৰ্কুলিন আনাৰস বাগিচা পৰিদৰ্শন কৰে। তেওঁ আনাৰস খেতিয়কসকলৰ সৈতেও এই খেতিৰ সম্ভাৱনা আৰু সম্ভাব্য সমস্যাসমূহৰ বিষয়ে আলোচনা কৰে। তেওঁ এগ্ৰ' অৰ্গেনিক প্ৰডাক্ট কোম্পানী লিমিটেডৰ কাৰ্যালয়ত উপস্থিত হৈ কোম্পানীটোৰ পৰিচালনা কমিটী আৰু কৃষক প্ৰতিনিধিসকলৰ সৈতে গুৰুত্বপূৰ্ণ বৈঠকত মিলিত হয়। তেওঁ জিলা প্ৰশাসন আৰু কৃষি বিভাগক জিলাখনৰ লগতে চুবুৰীয়া ৰাজ্য আৰু জিলাসমূহৰ উৎপাদন এক গোট কৰি সুসংগঠিত প্ৰসংস্কৰণ কেন্দ্ৰ স্থাপন কৰিবলৈ নিৰ্দেশ দিয়ে। মুখ্য সচিবগৰাকীয়ে শিলচৰৰ সমীপৱৰ্তী লালবাগ অঞ্চল পৰিদৰ্শন কৰি প্ৰস্তাৱিত দলু গ্ৰীন ফিল্ড বিমান বন্দৰৰ পুনৰ্বাসন প্ৰকল্পৰ বুজ লয়। এই প্ৰকল্পৰ অধীনত চাহ শ্ৰমিক পৰিয়ালৰ বাবে ১৭৩টা গৃহ নিৰ্মাণ কৰা হৈছে। এই প্ৰকল্পই তেওঁলোকৰ মৰ্যাদাপূৰ্ণ জীৱন নিশ্চিত কৰিব বুলি মুখ্য

সচিবগৰাকীয়ে আশা প্ৰকাশ কৰে। তদুপৰি কাছাৰৰ আনাৰস খেতি আৰু কৃষি ভিত্তিক উদ্যোগৰ সম্ভাৱনাক সঠিক পৰিকল্পনাৰ জৰিয়তে সদ ব্যৱহাৰ কৰিবলৈ ৰাজ্য চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ডিব্ৰুগড় জিলাৰ মৰাণ লাচিত নগৰৰ অৰুণোদয় সংঘত সাংসদ ৰামেশ্বৰ তেলীয়ে এটা অত্যাধুনিক ব্যায়ামগাৰ মুকলি কৰে। তেল আৰু প্ৰাকৃতিক গেছ নিগমৰ সামাজিক দায়বদ্ধতা পুঁজিৰ ২০ লাখ টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা এই অত্যাধুনিক ব্যায়ামগাৰে অঞ্চলটোৰ যুৱক-যুৱতীসকলক শৰীৰ চৰ্চাৰ লগতে স্বাস্থ্যৰ ক্ষেত্ৰত সচেতন হোৱাত সহায় কৰিব বুলি শ্ৰীতেলীয়ে প্ৰকাশ কৰে।

০০০০০

অসম ৰাজ্যিক পৰিবহণ নিগমৰ উদ্যোগত আজিৰে পৰা যোৰহাট আৰু গুৱাহাটীৰ মাজত দৈনিক দুখনকৈ ভলভ' বাছ সেৱা আৰম্ভ কৰা হৈছে। যোৰহাটৰ তৰাজানত থকা আন্তঃৰাজ্যিক বাছ আস্থানত এই উপলক্ষে আয়োজিত অনুষ্ঠানত অসম ঔদ্যোগিক আন্তঃগাঁথনি উন্নয়ন নিগমৰ অধ্যক্ষ শান্তনু পূজাৰী আৰু জিলাখনৰ আয়ুক্ত জয় শিৱানীৰ উপস্থিতিত এই বাছ সেৱা মুকলি কৰা হয়। যাত্ৰীসকলৰ সুগম যাতায়াতৰ ক্ষেত্ৰত এই বাছ সেৱাই উল্লেখযোগ্য ভূমিকা ল'ব বুলি আশা কৰা হৈছে।

০০০০০

সমাগত স্বাধীনতা দিৱসৰ প্ৰস্তুতিৰ অংশ হিচাপে আজি ডিফু আৰৱৰ্ত ভৱনত এখন সভা অনুষ্ঠিত হয়। জিলা আয়ুক্ত নিৰলা ফাংচপীৰ সভাপতিত্বত আয়োজিত এই সভাত স্বাধীনতা দিৱস উপলক্ষে আয়োজন কৰিবলগীয়া সমাৰোহৰ কাৰ্যসূচীৰ পৰ্যালোচনা কৰা হয়। ডিফু চৰকাৰী বালক উচ্চতৰ মাধ্যমিক বিদ্যালয় খেলপথাৰত হ'বলগীয়া স্বাধীনতা দিৱসৰ সফল উদযাপনৰ বাবে প্ৰস্তুতি চলাবলৈ জিলা আয়ুক্তগৰাকীয়ে বিষয়ববীয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে জিলা আৰক্ষী অধীক্ষক সঞ্জীৱ কুমাৰ শইকীয়াই আইন-শৃংখলা পৰিস্থিতি সন্দৰ্ভত বিতংভাৱে আলোচনা কৰে।

০০০০০

ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ সভাপতিত্বত চাহ বাগিচা আদৰ্শ বিদ্যালয়সমূহৰ বিভিন্ন বিষয় সন্দৰ্ভত জিলাখনৰ সকলোবোৰ চাহ বাগিচাৰ আদৰ্শ বিদ্যালয়ৰ অধ্যক্ষসকলৰ সৈতে এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত গ্ৰীষ্মকালীন বন্ধৰ পাছত বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ নিয়মীয়া উপস্থিতি সুনিশ্চিত কৰা, বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীৰ অত্যাৱশ্যকীয় সা-সুবিধা প্ৰদান, স্মাৰ্ট শ্ৰেণীকোঠা, সীমাৰ দেৱালৰ ব্যৱস্থা, খেলপথাৰ, বিশুদ্ধ পানীৰ সংযোগ আদি সন্দৰ্ভত আলোচনা কৰা হয়। জিলা আয়ুক্তগৰাকীয়ে বিদ্যালয়সমূহৰ অধ্যক্ষসকলে উত্থাপন কৰা সমস্যাসমূহৰ বুজ লোৱাৰ লগতে ইয়াৰ সমাধানৰ বাবে ব্যৱস্থা লোৱা হ'ব বুলি আশ্বাস দিয়ে।

০০০০০

সমাপ্ত